**04-12-2024** প্ৰাতঃমুৰুলী ওঁম্ শান্তি**!** "বাপদাদা" মধুবন।

হে যাবা**,** এই স্মৃতিত থকাৰ ক্ষেত্ৰতে মায়াৰ যুদ্ধ চলে"

প্ৰশ্ন: এই ড্ৰামাত কোনটো ৰহস্য অতি বিচাৰ কৰাৰ যোগ্য? যিটো তোমালোক সন্তানসকলেহে জানা?

উত্তৰ: তোমালোকে জানা যে, ড্ৰামাত একেটি ভূমিকা দুবাৰ ৰূপায়িত হ'ব নোৱাৰে। গোটেই সৃষ্টিত যিয়েই ভূমিকা চলে সেয়া ইটোতকৈ সিটো নতুন। তোমালোকে বিচাৰ কৰা যে সত্যযুগৰ পৰা এতিয়ালৈকে কেনেকৈ দিন সলনি হৈ যায়। গোটেই কৰ্মকাণ্ড সলনি হৈ যায়। আত্মাত 5 হাজাৰ বছৰৰ কৰ্মকাণ্ডৰ ৰেকৰ্ড ভৰি আছে, যিটো কেতিয়াও সলনি হ'ব নোৱাৰে। এই সৰু কথাটি তোমালোক সন্তানসকলৰ বাহিৰে কাৰো বুদ্ধিত উদয় হ'ব নোৱাৰে।

ওঁম্ শান্তি। আত্মিক পিতাই আত্মিক সন্তানসকলক সোধে - মৰমৰ সন্তানসকল, তোমালোকে নিজৰ ভৱিষ্যত পুৰুষোত্তম মুখমণ্ডল, পুৰুষোত্তম পোছাক চোৱানে? এয়া পুৰুষোত্তম সংগমযুগ হয় নহয়? তোমালোকে অনুভৱ কৰা যে আমি পুনৰ নতুন সৃষ্টি সত্যযুগত এওঁলোকৰ বংশাৱলীত আহিম, যাক সুখধাম বুলি কোৱা হয়। তাৰ বাবেই তোমালোক এতিয়া পুৰুষোত্তম হৈ আছা। বহি বহি এইটো বিচাৰ কৰিব লাগে। বিদ্যাৰ্থীয়ে যেতিয়া পঢ়ে তেতিয়া তেওঁলোকৰ বুদ্ধিত এইটো নিশ্চয়তা থাকে - কাইলৈ আমি এনেকুৱা হ'মগৈ। তেনেকৈ তোমালোকো যেতিয়া ইয়াত বহা, তেতিয়া জানা যে আমি বিষ্ণুৰ বংশাৱলীত যাম। তোমালোকৰ বুদ্ধি এতিয়া অলৌকিক। আৰু কোনো মনুষ্যৰ বুদ্ধিত এই কথাবিলাকৰ মন্থন নচলে। এয়া কোনো সাধাৰণ সৎসঙ্গ নহয়। ইয়াত বহিছা, বুজি পোৱা যে সত্য পিতা যাক শিৱ বুলি কয়, মই তেওঁৰ সংগত বহি আছোঁ। শিৱবাবাহে হৈছে ৰচয়িতা, তেৱেঁই এই ৰচনাৰ আদি-মধ্য-অন্তক জানে। তেৱেঁই এই জ্ঞান দিয়ে। যেন যোৱাকালিৰ কথাহে শুনায়। ইয়াত বহিছা, এইটোতো স্মৃতিত থাকিব নহয় – আমি পুনৰুজ্জীৱিত হ'বলৈ অৰ্থাৎ এই শৰীৰ সলাই দৈৱী শৰীৰ ধাৰণ কৰিবলৈ বহি আছোঁ। আত্মাই কয়, এইটো মোৰ তমোপ্ৰধান পুৰণা শৰীৰ। এইটো সলাই এনেকুৱা শৰীৰ (দৈৱী) ল'ব লাগে। কিমান সহজ লক্ষ্য-উদ্দেশ্য। পঢ়াওঁতা শিক্ষক নিশ্চয় পঢ়োঁতা বিদ্যাৰ্থীসকলতকৈ বুদ্ধিমান হ'ব নহয়। পঢ়ায়, ভাল কৰ্মও শিকায়। এতিয়া তোমালোকে বুজি পোৱা যে আমাক উচ্চতকৈও উচ্চ ভগৱানে পঢ়ায় গতিকে নিশ্চয় দেৱী-দেৱতা কৰিয়ে গঢ়ি তুলিব। এই পঢ়া হয়েই নতুন সৃষ্টিৰ বাবে। আন কোনেও নতুন সৃষ্টিৰ বিষয়ে অলপো নাজানে। এই লক্ষ্মী-নাৰায়ণ নতুন সৃষ্টিৰ মালিক আছিল। দেৱী-দেৱতাসকলো ক্ৰমানুসৰি হ'ব নহয়। সকলো একেধৰণৰতো হ'বও নোৱাৰে কিয়নো ৰাজধানী হয় নহয়। তোমালোকৰ এনেকুৱা খেয়াল চলি থাকিব লাগে। আমি আত্মাসকল এতিয়া পতিতৰ পৰা পাৱন হ'বলৈ পাৱন পিতাক স্মৰণ কৰোঁ। আত্মাই নিজৰ মৰমৰ পিতাক স্মৰণ কৰে। পিতাই নিজেই কয় - তোমালোকে মোক স্মৰণ কৰিলে পাৱন সতোপ্ৰধান হৈ যাবা। সকলো স্মৃতিৰ যাত্ৰাৰ ওপৰত নিৰ্ভৰ কৰে। পিতাই নিশ্চয় সুধিব – সন্তানসকল, মোক কিমান সময় স্মৰণ কৰা? স্মৃতিৰ যাত্ৰাতেই মায়াৰ যুদ্ধ চলে। তোমালোকে এই যুদ্ধৰ কথাও বুজি পোৱা। এয়া যাত্ৰা নহয় যেন যুদ্ধহে, ইয়াতেই বহুত সাৱধান হ'ব লাগে। জ্ঞানত মায়াৰ ধুমুহা আদিৰ কথা নাই। সন্তানসকলে কয়ো, বাবা মই আপোনাক স্মৰণ কৰোঁ, কিন্তু মায়াৰ এচাটি ধুমুহাই তলত পেলাই দিয়ে। প্ৰথম নম্বৰৰ ধুমুহা হ'ল দেহ-অভিমানৰ। তাৰপাছত কাম, ক্ৰোধ, লোভ, মোহৰ। সন্তানসকলে কয়, বাবা আমি আপোনাৰ স্মৃতিত থাকিবলৈ বহুত যত্ন কৰোঁ, যাতে কোনো বিঘিনি নাহে, কিন্তু তথাপিও ধুমুহা আহি যায়। আজি ক্ৰোধৰ, কেতিয়াবা লোভৰ ধুমুহা আহে। বাবা আজি মোৰ অৱস্থা বহুত ভাল হৈ আছিল, গোটেই দিন কোনো ধুমুহা অহা নাই। বহুত আনন্দিত হৈ আছিলোঁ। পিতাক বহুত মৰমেৰে স্মৰণ কৰিলোঁ। স্নেহৰ চকুলোও নিগৰি আছিল। পিতাৰ স্মৃতিৰেই তোমালোক বহুত অমায়িক হৈ যাবা।

এইটোও বুজি পায় যে মই মায়াৰ হাতত পৰাজিত হৈ হৈ ক'ত আহি পালোঁ। এয়া জানো কোনোবাই বুজি পায়। মনুষ্যইতো লাখ লাখ বছৰ বা পৰম্পৰা বুলি কৈ দিয়ে। তোমালোকে ক'বা - আমি পুনৰাই এতিয়া মনুষ্যৰ পৰা দেৱতা হৈ আছোঁ। এই জ্ঞান পিতাহে আহি দিয়ে। বিচিত্ৰ পিতাইহে বিচিত্ৰ জ্ঞান দিয়ে। বিচিত্ৰ বুলি নিৰাকাৰক কোৱা হয়। নিৰাকাৰে কেনেকৈ এই জ্ঞান দিয়ে? পিতাই স্বয়ং বুজায়, মই কেনেকৈ এই শৰীৰত আহোঁ। তথাপিও মনুষ্য বিভ্ৰান্ত হয়। একমাত্ৰ এইটো (ব্ৰহ্মাৰ) শৰীৰতে আহিব জানো! কিন্তু ড্ৰামাত এইটো শৰীৰে নিমিত্ত হয়। অলপো সলনি হ'ব নোৱাৰে। এই কথাবোৰ তোমালোকেহে বুজি আকৌ আনকো বুজোৱা। আত্মাইহে পঢ়ে। আত্মাইহে শিকে আৰু শিকায়। আত্মা অতিকৈ মূল্যৱান। আত্মা অবিনাশী, কেৱল শৰীৰহে নাশ হয়। আমি আত্মাসকলে নিজৰ পৰমপিতা পৰমাত্মাৰ পৰা ৰচয়িতা আৰু ৰচনাৰ

আদি-মধ্য-অন্তৰ 84 জন্মৰ জ্ঞান আহৰণ আছোঁ। জ্ঞান কোনে আহৰণ কৰে? আমি আত্মাসকলে। তোমালোক আত্মাসকলেহে জ্ঞানেৰে পৰিপূৰ্ণ পিতাৰ পৰা মূললোক, সূক্ষ্মলোকক জানিছা। মনুষ্যই গমেই নাপায় যে আমি নিজক আত্মা বুলি বুজিব লাগে। মনুষ্যইতো নিজক শৰীৰ বুলি ভাবি ওলোটাকৈ ওলমি গৈছে। গায়ন আছে, আত্মা সত্য, চৈতন্য, আনন্দ স্বৰূপ। পৰমাত্মাৰ মহিমা সকলোতকৈ বেছি। এজন পিতাৰ কিমান মহিমা। তেৱেঁই দুখহৰ্তা, সুখকৰ্তা। মহ আদিৰতো দুখহৰ্তা, সুখকৰ্তা, জ্ঞানৰ সাগৰ বুলি ইমান মহিমা নকৰে। নহয়, এয়া হৈছে পিতাৰ মহিমা। তোমালোক সন্তানসকলো মাষ্টৰ দুখহৰ্তা, সুখকৰ্তা হোৱা। তোমালোক সন্তানসকলৰো এই জ্ঞান নাছিল, বুদ্ধি যেন শিশুৰ দৰে আছিল। শিশুৰ জ্ঞান নাথাকে আৰু কোনো অৱগুণো নাথাকে, সেয়েহে শিশুক মহাত্মা বুলি কোৱা কয় কিয়নো পৱিত্ৰ হয়। যিমানে সৰু সিমানেই এক নম্বৰৰ ফুল। একেবাৰে যেন কৰ্মাতীত অৱস্থা। কৰ্ম-অকৰ্ম-বিকৰ্ম একো নাজানে, সেয়েহে সিহঁত ফুল। সকলোকে আকৰ্ষিত কৰে। যেনেকৈ এজন পিতাই সকলোকে আকৰ্ষিত কৰে। পিতা আহিছেই সকলোকে আকৰ্ষিত কৰি সুবাসিত ফুল কৰি তুলিবলৈ। কিছুমানতো আকৌ কাঁইট হৈয়ে থাকি যায়। 5 বিকাৰৰ বশীভূত হোৱাসকলক কাঁইট বুলি কোৱা হয়। প্ৰথম কাঁইট হৈছে দেহ-অভিমানৰ, যাৰ পৰা আন কাঁইটবোৰৰ জন্ম হয়। কাঁইটৰ জংঘলে বহুত দুখ দিয়ে। জংঘলত বিভিন্ন ধৰণৰ কাঁইট নাথাকে জানো সেই কাৰণে ইয়াক দুখধাম বুলি কোৱা হয়। নতুন সৃষ্টিত কাঁইট নাথাকে সেয়েহে ইয়াক সুখধাম বুলি কোৱা হয়। শিৱবাবাই ফুলৰ বাগিছা পাতে আৰু ৰাৱণে কাঁইটৰ জংঘল সেইকাৰণে ৰাৱণক কাঁইটীয়া ডালেৰে জ্বলায় আৰু পিতাক ফুল অৰ্পণ কৰে। এই কথাবোৰ পিতাই জানে আৰু সন্তানসকলে জানে আৰু অন্য কোনেও নাজানে।

তোমালোক সন্তানসকলে জানা - ড্ৰামাত একেটি ভূমিকা দ্বিতীয়বাৰ ৰূপায়িত হ'ব নোৱাৰে। বুদ্ধিত আছে যে গোটেই জগতত যি ভূমিকা ৰূপায়িত হয় সেয়া ইটোতকৈ সিটো নতুন। তোমালোকে বিচাৰ কৰা সত্যযুগৰ পৰা এতিয়ালৈকে কেনেকৈ দিন সলনি হৈ যায়। গোটেই কৰ্মকাণ্ডই সলনি হৈ যায়। 5 হাজাৰ বছৰৰ কৰ্মকাণ্ডৰ ৰেকৰ্ড আত্মাত ভৰি আছে। সেয়া কেতিয়াও সলনি হ'ব নোৱাৰে। প্ৰত্যেক আত্মাত নিজৰ নিজৰ ভূমিকা ভৰি আছে। এই সৰু কথাটিও কাৰো বুদ্ধিত উদয় হ'ব নোৱাৰে। এই ড্ৰামাৰ অতীত, বৰ্তমান আৰু ভৱিষ্যতক তোমালোকে জানা। এইখন বিদ্যালয় নহয় জানো। পৱিত্ৰ হৈ পিতাক স্মৰণ কৰাৰ পাঠ পিতাই পঢ়ায়। এই কথাবোৰ কেতিয়াবা ভাবিছিলানে যে পিতা আহি এনেকুৱা পতিতৰ পৰা পাৱন কৰি তোলাৰ পাঠ পঢ়াব! এই পঢ়াৰ দ্বাৰাই আমি বিশ্বৰ মালিক হ'মগৈ! ভক্তিমাৰ্গৰ কিতাপেই বেলেগ, সেইবোৰক কেতিয়াও পঢ়া বুলি কোৱা নহয়। জ্ঞান অবিহনে সংগতি কেনেকৈ হ'ব? পিতাৰ অবিহনে জ্ঞান ক'ৰ পৰা আহিব যাৰ দ্বাৰা সংগতি হ'ব। যেতিয়া তোমালোক সংগতিত থাকিবা তেতিয়া জানো ভক্তি কৰিবা? নকৰা, কিয়নো তাত অপাৰ সুখ থাকে, তেন্তে ভক্তি আকৌ কিহ'ৰ বাবে কৰিবা? এই জ্ঞান এতিয়াহে তোমালোকে লাভ কৰা। সমস্ত জ্ঞান আত্মাতেই থাকে। আত্মাৰ কোনো ধৰ্ম নাথাকে। আত্মাই যেতিয়া শৰীৰ ধাৰণ কৰে তেতিয়া কয় যে অমুক এইটো ধৰ্মৰ। আত্মাৰ ধৰ্ম কি? এটাতো আত্মা বিন্দু স্বৰূপ আৰু শান্ত স্বৰূপ, শান্তিধামত থাকে।

এতিয়া পিতাই বুজায় - সকলো সন্তানৰ পিতাৰ ওপৰত অধিকাৰ আছে। বহুত সন্তান আছে যিসকল আন আন ধৰ্মলৈ ধৰ্মান্তৰিত হৈ গ'ল। তেওঁলোক পুনৰ তাৰ পৰা ওলাই নিজৰ প্ৰকৃত ধৰ্মত ঘূৰি আহিব। যিসকলে দেৱী-দেৱতা ধৰ্ম এৰি বেলেগ ধৰ্মলৈ গৈছে সেই সকলোবোৰ পাত নিজৰ ঠাইলৈ ঘূৰি আহিব। তোমালোকে প্ৰথমে পিতাৰ পৰিচয় দিব লাগে। এই কথাবোৰতেই সকলো বিভ্ৰান্ত হৈ আছে। তোমালোক সন্তানসকলে বুজি পোৱা যে এতিয়া আমাক কোনে পঢ়ায়? বেহদৰ পিতাই। শ্ৰীকৃষ্ণতো হৈছে দেহধাৰী, এওঁকো (ব্ৰহ্মাবাবাক) দাদা বুলি কোৱা হয়। তোমালোক সকলো ভাই ভাই নোহোৱা জানো। বাকী সকলো পদবীৰ ওপৰত। ভাইৰ শৰীৰ কেনেকুৱা, ভগ্নীৰ শৰীৰ কেনেকুৱা। আত্মাতো এটা সূক্ষ্ম তৰা। ইমান জ্ঞান এই সূক্ষ্ম তৰাটোতেই থাকে। তৰাই শৰীৰ অবিহনে কথাও ক'ব নোৱাৰে। তৰাই ভূমিকা পালন কৰিবৰ বাবে ইমানবোৰ ইন্দ্ৰিয় লাভ কৰে। তোমালোক তৰাবোৰৰ জগতেই বেলেগ। আত্মা ইয়ালৈ আহি পুনৰ শৰীৰ ধাৰণ কৰে। শৰীৰ সৰু-ডাঙৰ হয়। আত্মাইহে নিজৰ পিতাক স্মৰণ কৰে। সেয়াও যেতিয়ালৈকে শৰীৰত থাকে। ঘৰত জানো আত্মাই পিতাক স্মৰণ কৰিব? নকৰে। তাত (পৰমধামত) একোৱেই গম নাপায় - মই ক'ত আছোঁ। আত্মা আৰু পৰমাত্মা দুয়োটাই যেতিয়া শৰীৰত থাকে তেতিয়া আত্মা আৰু পৰমাত্মাৰ মেলা বুলি কোৱা হয়। গায়নো আছে- "আত্মা আৰু পৰমাত্মা বহুকাল বিচ্ছিন্ন হৈ থাকিল..." কিমান সময় বিচ্ছিন্ন হৈ থাকিল? স্মৃতিত উদয় হয়নে - কিমান সময় বিচ্ছিন্ন হৈ থাকিল? ছেকেণ্ড ছেকেণ্ড পাৰ হৈ 5000 বছৰ পাৰ হৈ গ'ল। পুনৰ এক নম্বৰৰ পৰা আৰম্ভ কৰিব লাগে, একদম সঠিক হিচাপ আছে। এতিয়া তোমালোকক কোনোবাই যদি সোধে এওঁ (ব্ৰহ্মাবাবাই) কেতিয়া জন্ম লৈছিল? তেতিয়া তোমালোকে সঠিককৈ ক'ব পাৰিবা। শ্ৰীকৃষ্ণইহে প্ৰথম নম্বৰত জন্ম লয়। শিৱৰতো কোনো মিনিট ছেকেণ্ড উলিয়াব নোৱাৰে। শ্ৰীকৃষ্ণৰ বাবে তিথি-তাৰিখ, মিনিট, ছেকেণ্ড উলিয়াব পাৰা। মনুষ্যৰ ঘড়ীত পাৰ্থক্য হ'ব পাৰে। শিৱবাবাৰ অৱতৰণৰ ক্ষেত্ৰততো

একেবাৰে পাৰ্থক্য হ’ব নোৱাৰে। গমেই পোৱা নাযায় কেতিয়া আহিল? এনেকুৱাও নহয় যে যেতিয়া সাক্ষাৎকাৰ হ’ল তেতিয়া আহিল। নহয়, তোমালোকে অনুমান কৰিব পাৰা। মিনিট ছেকেণ্ডৰ হিচাপ দিব নোৱাৰা। তেওঁৰ অৱতৰণো অলৌকিক, তেওঁ আহেও বেহদৰ ৰাত্ৰিৰ সময়ত। বাকী আৰু যিবোৰ অৱতৰণ আদি হয়, সেইবোৰৰ বিষয়ে গম পোৱা যায়। আত্মা শৰীৰত প্ৰৱেশ কৰে। প্ৰথমে সৰু চোলা পিন্ধে (কেচুঁৱা অৱস্থা পায়), পাছত লাহে লাহে ডাঙৰ হয়। শৰীৰৰ সৈতে আত্মা বাহিৰলৈ ওলায়। এই সকলোবোৰ কথা বিচাৰ সাগৰ মন্থন কৰি আকৌ আনক বুজাব লাগে। কিমান অনেক মনুষ্য আছে, ইজন লগত সিজন নিমিলে। কিমান ডাঙৰ মণ্ডপ। যেন এটা বিশাল প্ৰেক্ষাগৃহ য’ত বেহদৰ নাটক চলে।

তোমালোক সন্তানসকল ইয়ালৈ নৰৰ পৰা নাৰায়ণ হ'বলৈ আহা। পিতাই যি নতুন সৃষ্টি ৰচনা কৰে তাত উচ্চ পদ ল’বৰ কাৰণে। বাকী এইখন যি পুৰণি সৃষ্টি সেইখনতো বিনাশ হৈ যাব। বাবাৰ দ্বাৰা নতুন সৃষ্টিৰ স্থাপনা হৈ আছে। বাবাই আকৌ পালনো কৰিব লাগে। নিশ্চয় যেতিয়া এই শৰীৰ এৰিব তেতিয়া সত্যযুগত নতুন শৰীৰ ধাৰণ কৰি পালন কৰিব। তাৰ আগতে এই পুৰণি সৃষ্টিৰ বিনাশো হ'ব লাগিব। খেৰৰ জুমুঠি সদৃশ সৃষ্টিখনত জুই লাগিব। পাছলৈ এই ভাৰতখনেই থাকিব বাকী সকলো নাশ হৈ যাব। ভাৰতৰো অলপহে ৰক্ষা পৰিব। তোমালোকে এতিয়া পৰিশ্ৰম কৰি আছা যাতে বিনাশৰ পাছত শাস্তি খাবলগীয়া নহয়। যদি বিকৰ্ম বিনাশ নহয় তেন্তে শাস্তিও খাব লাগিব আৰু পদো পোৱা নাযাব। তোমালোকক যেতিয়া কোনোবাই সোধে - তোমালোক কাৰ ওচৰলৈ যোৱা? তেতিয়া ক'বা, শিৱবাবাৰ ওচৰলৈ, যি ব্ৰহ্মাৰ শৰীৰত আহিছে। এই ব্ৰহ্মা শিৱ নহয়। যিমানে পিতাক জানিব তেতিয়া পিতাৰ প্ৰতি স্নেহো থাকিব। বাবাই কয় – সন্তানসকল, তোমালোকে আন কাকো প্ৰেম নকৰিবা অন্য সকলোৰে প্ৰতি থকা প্ৰেম আঁতৰাই এজনৰ সৈতে ৰাখা। যেনেকৈ প্ৰেমিক-প্ৰেমিকা থাকে। এয়াও তেনেকুৱাই। 108 গৰাকী সঁচা প্ৰেয়সী হয়, তাৰ ভিতৰতো 8 (আঠ) গৰাকী একেবাৰে সঁচা। 8 ৰ মালা থাকে নহয়। 9 ৰত্নৰ গায়ন কৰা হৈছে। 8 টি দানা, 9 নম্বৰজন বাবা। মুখ্য হৈছে 8 গৰাকী দেৱতা, তাৰপাছত ত্ৰেতাৰ অন্তলৈকে 16108 গৰাকী ৰাজকুমাৰ-ৰাজকুমাৰীৰ ইষ্টকুটুম্ব হয়। বাবাইতো হাতত স্বৰ্গ দেখুৱায়। তোমালোক সন্তানসকলৰ নিচা আছে যে আমিতো সৃষ্টিৰ মালিক হওঁগৈ। বাবাৰ লগত এনেকুৱা চুক্তি কৰিব লাগে। কোৱা হয় কোনোবা বিৰল বেপাৰীয়েহে এনেকুৱা চুক্তি কৰিব। এনেকুৱা কোনোবা বেপাৰী আছে জানো। গতিকে সন্তানসকল এইটো উৎসাহত থাকা যে আমি বাবাৰ ওচৰলৈ যাওঁ। ওপৰৰ বাবা। জগতৰ লোকে এয়া নাজানে, তেওঁলোকে ক’ব যে তেওঁতো (শিৱবাবা) অন্তিমত আহে। এতিয়া সেই কলিযুগৰে অন্তৰ সময়। এয়াই সেই ‘গীতা’, ‘মহাভাৰত’ৰ সময়, সেয়াই যাদৱ যিয়ে ক্ষেপণাস্ত্ৰ উদ্ভাৱন কৰি আছে। সেইখনেই কৌৰৱৰ ৰাজ্য আৰু তোমালোক সেইসকল পাণ্ডৱেই থিয় হৈ আছা।

তোমালোক সন্তানসকলে এতিয়া ঘৰত বহি নিজৰ উপাৰ্জন কৰি আছা। ঘৰত বহি থাকোতেই ভগৱান আহিছে সেয়েহে বাবাই কয় যে নিজৰ উপাৰ্জন কৰি লোৱা। এইটো জন্মকে হীৰাৰ দৰে অমূল্য বুলি গায়ন কৰা হৈছে। এতিয়া ইয়াক কড়িৰ বিনিময়ত হেৰুৱাব নালাগে। এতিয়া তোমালোকে এই গোটেই সৃষ্টিখনক ৰামৰাজ্য কৰি তোলা। তোমালোকে শিৱৰ পৰা শক্তি লাভ কৰি আছা। বাকী আজিকালি বহুতৰ অকাল মৃত্যুও হৈ যায়। বাবাই বুদ্ধিৰ তলা খুলি দিয়ে আৰু মায়াই বুদ্ধিৰ তলা বন্ধ কৰি দিয়ে। এতিয়া তোমালোক মাতাসকলেই জ্ঞানৰ কলহ লাভ কৰিছা। তেওঁ হৈছে অবলাসকলক বল দিওঁতা। এয়াই হৈছে জ্ঞান অমৃত। শাস্ত্ৰৰ জ্ঞানক অমৃত বুলি কোৱা নহয়। ভাল বাৰু!

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই মিলিত হোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) এজন পিতাৰ আকৰ্ষণত থাকি সুবাসিত ফুল হ'ব লাগে। নিজৰ মৰমৰ পিতাক স্মৰণ কৰি দেহ-অভিমানৰ কাঁইটক জ্বলাই দিব লাগে।

(2) এইটো হীৰাতুল্য জন্মত অবিনাশী উপাৰ্জন জমা কৰিব লাগে, কড়িৰ বিনিময়ত ইয়াক হেৰুৱাব নালাগে। এজন পিতাৰ প্ৰতি সঁচা মৰম ৰাখিব লাগে, এজনৰ সংগত থাকিব লাগে।

**বৰদান:** ব্ৰাহ্মণ জীৱনত সদায় আনন্দৰ খোৰাক খাওঁতা আৰু আনন্দ বিলাওঁতা সৌভাগ্যশালী হোৱা

এইখন জগতত তোমালোক ব্ৰাহ্মণসকলৰ দৰে সৌভাগ্যশালী আন কোনো হ’ব নোৱাৰে কিয়নো এইটো জীৱনতে তোমালোক সকলোৱে বাপদাদাৰ অন্তৰ আসন পোৱা। সদায় আনন্দৰ খোৰাক খোৱা আৰু

আনন্দ বিলোৱা। এই সময়ত নিশ্চিন্ত বাদশ্বাহ হোৱা। এনেকুৱা নিশ্চিন্ত জীৱন গোটেই কল্পত অন্য কোনো যুগতে নাই। সত্যযুগত নিশ্চিন্ত হ'বা কিন্তু তাত জ্ঞান নাথাকিব, এতিয়া তোমালোকৰ জ্ঞান আছে সেইকাৰণে অন্তৰৰ পৰা উচ্চাৰিত হয় - মোৰ দৰে সৌভাগ্যশালী কোনো নাই।

**শ্লোগান:** সংগমযুগৰ স্বৰাজ্য অধিকাৰীয়েই ভৱিষ্যতৰ বিশ্ব ৰাজ্য অধিকাৰী হয়।

!! ওঁম্ শান্তি !!

সদায় সন্তুষ্ট হৈ থাকি সকলোকে সন্তুষ্ট কৰি সন্তুষ্টমণি হ'বলৈ আজিৰ অব্যক্ত সংকেত:

সদায় নিৰ্বিঘ্ন, সদায় বিঘ্ন-বিনাশক আৰু সদায় সন্তুষ্ট হৈ থকা তথা সকলোকে সন্তুষ্ট কৰা – সেৱাধাৰীসকলে এয়াই প্ৰমাণপত্ৰ সদায় লৈ থাকিব লাগে। এই প্ৰমাণপত্ৰ লোৱা মানে আসনৰ অধিকাৰী হোৱা। সদায় সন্তুষ্ট হৈ থাকি সকলোকে সন্তুষ্ট কৰা লক্ষ্য ৰাখা।